# গৌহাটী উচ্চ ন্যায়ালয়

(অসম, নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচল প্ৰদেশৰ উচ্চ ন্যায়ালয়)

গোচৰ নং : লেখ আবেদন (দেৱানী)/৭৩৮৯/২০১৭

জয়ন্ত নাথ

পুত্ৰ- শ্ৰী কন্দৰ্প নাথ, গাঁও- বৰহাৰীদ, ডাকঘৰ- চক চকা,

বৰপেটা ৰোড, জিলা- বৰপেটা, ৰাজ্য- অসম, পিন-৭৮১৩১৭।

বনাম

ভাৰত চৰকাৰ আৰু অন্য এক

ভাৰত চৰকাৰৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ সচিবৰ দ্বাৰা প্ৰতিনিধিত্ব কৰা, সীমান্ত সুৰক্ষা বাহিনী, চি জি অ’ কমপ্লেক্স, লোধী ৰোড,

নতুন দিল্লী-১১০০০৩

২: কমাণ্ডেণ্ট

১২৪ বিএন

বি এছ এফ

কানপোৰা এছ চি/অ ৫৬ এ পি অ’

পিন-১৯৩২২৩

## মাননীয় ন্যায়াধীশ সঞ্জয় কুমাৰ মেধি

আবেদনকাৰীৰ অধিবক্তা : শ্ৰীমতী ইউ দাস, অধিবক্তা।

উত্তৰদাতাসকলৰ বাবে অধিবক্তা : শ্ৰী. এছ এছ ৰয়, চিজিচি।

শুনানিৰ তাৰিখ : ২২.০৪.২০২৪

ৰায়দানৰ তাৰিখ : ২২.০৪.২০২৪

### ৰায় আৰু আদেশ

আবেদনকাৰীৰ বিদ্বান অধিবক্তা শ্ৰীমতী ইউ দাসৰ যুক্তি শুনা হ'ল। লগতে উত্তৰদাতাৰ বাবে হাজিৰ হোৱা শ্ৰী এছ এছ ৰয়, বিদ্বান চি জি চি-ৰ যুক্তি শুনা হ'ল।

(২) আবেদনকাৰীয়ে বিএছএফত কনিষ্টবল হিচাপে নিজৰ কৰ্তব্যত যোগদান কৰিবলৈ নিদিয়াৰ বাবে প্ৰতিবাদী পক্ষৰ কৰ্তৃপক্ষৰ কাৰ্য্যক প্ৰত্যাহ্বান জনাইছে।

(৩) ১৯৯৯ চনত আবেদনকাৰীক সীমান্ত সুৰক্ষা বাহিনী (বি এছ এফ)ত কনিষ্টবল হিচাপে নিযুক্তি দিয়া হয়। পশ্চিম বংগৰ নিউ কোচ বিহাৰৰ ৰূপ নগৰত ১২৪ বেটেলিয়ন বি এছ এফৰ ডি ' কয় ইউনিটত সেৱা আগবঢ়াই থাকোঁতে তেওঁ অসুস্থ হৈ পৰে। অসুস্থতাৰ বাবে তেওঁ আৰ্জিত ছুটিৰ বাবে অনুৰোধ কৰিছিল আৰু ২০১৩ চনৰ ২৫ ছেপ্টেম্বৰৰ পৰা ২৪ অক্টোবৰলৈকে আৰ্জিত ছুটী লাভ কৰিছিল। আবেদনকাৰীয়ে দাবী কৰিছে যে বৰপেটা জিলাৰ নিজৰ ঘৰলৈ উভতি অহাৰ পিছত তেওঁ অতিৰিক্ত

স্বাস্থ্যজনিত সমস্যাৰ সন্মুখীন হৈছিল , যাৰ বাবে তেওঁ কৰ্তব্যলৈ ঘূৰি আহিব পৰা নাছিল। আবেদনকাৰীয়ে দৃঢ়তাৰে কয় যে তেওঁ শাৰীৰিক আৰু মানসিক স্বাস্থ্য দুয়োটা সমস্যাত ভুগিছিল, যাৰ বাবে তেওঁ চিকিৎসা লাভ কৰিছিল।

(৪) আবেদনকাৰী কৰ্তব্যৰ পৰা অনুপস্থিত থকাৰ বাবে ২০১৪ চনৰ ২৫ জানুৱাৰীত কৰ্তৃপক্ষই তেওঁক তেওঁৰ অনুপস্থিতিৰ কাৰণ বাখ্যা কৰিবলৈ জাননী জাৰি কৰে । আবেদনকাৰীয়ে দৃঢ়তাৰে কয় যে তেওঁ জাননীখনৰ উত্তৰত লিখিত জবাব দাখিল কৰিছিল। অৱশ্যে সেইখন তেওঁ আদালতত দাখিল কৰা আবেদনত প্ৰমাণ হিচাপে অন্তৰ্ভুক্ত কৰা হোৱা নাই। আবেদনকাৰীয়ে কৈছে যে আবেদনৰ সৈতে লিখিত জবাবৰ প্ৰতিলিপি সংলগ্ন নকৰাৰ কাৰণ হ 'ল তেওঁ সেই লিখিত জবাবৰ প্ৰতিলিপি বিচাৰি উলিয়াব পৰা নাছিল।

(৫) আবেদনকাৰীৰ অধিবক্তা শ্ৰীমতী দাসে যুক্তি দিছিল যে আবেদনকাৰীয়ে তেওঁৰ চিকিৎসকৰ পৰা মেডিকেল ক্লিয়াৰেন্স পোৱাৰ পিছত তেওঁ প্ৰয়োজনীয় চিকিৎসা নথি-পত্ৰৰ সৈতে উত্তৰদাতা নং ৩ৰ কাৰ্যালয়লৈ গৈছিল যাতে পুনৰ চাকৰিত যোগদান কৰিব পাৰে। কিন্তু তেওঁক পুনৰ চাকৰিত যোগদান কৰিবলৈ অনুমতি দিয়াৰ পৰিৱৰ্তে যিহেতু তেওঁ অনুমোদন অবিহনে চাকৰিত অনুপস্থিত আছিল সেয়েহে তেওঁক চাকৰিৰ পৰা বৰ্খাস্ত কৰা বুলি জনোৱা হয়। অধিবক্তাই আৰু যুক্তি দিছিল যে আবেদনকাৰীক চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ সিদ্ধান্ত তেওঁৰ অজ্ঞাতে আৰু তেওঁক নিজৰ পৰিস্থিতিৰ বিষয়ে বুজাবলৈ উচিত সুযোগ নিদিয়াকৈয়ে লোৱা হৈছে। আবেদনকাৰীৰ অধিবক্তাই কয় যে চাকৰিৰ পৰা বৰ্খাস্ত কৰাটো অন্যায় আছিল কাৰণ ইয়াত স্বচ্ছতা আৰু ন্যায়পৰায়ণতাৰ অভাৱ আছিল , কিয়নো আবেদনকাৰীৰ বিৰুদ্ধে এই বিৰূপ ব্যৱস্থা

গ্ৰহণ কৰাৰ সময়ত কৰ্তৃপক্ষই সঠিক আইনী পদ্ধতি অনুসৰণ কৰা নাছিল। গতিকে অধিবক্তাই অনুৰোধ কৰে যে আদালতে এনে আদেশ বা নিৰ্দেশনা জাৰি কৰক যাতে আইনী পদ্ধতি আৰু নীতি অনুসৰি আবেদনকাৰীয়ে নিজৰ চাকৰিলৈ ঘূৰি যাব পাৰে।

(৬) আনহাতে, কেন্দ্ৰীয় চৰকাৰৰ বিদ্বান অধিবক্তা শ্ৰী ৰয়ে যুক্তি দিছিল যে আবেদনকাৰীয়ে কৰা দাবীসমূহ , উপস্থাপন কৰা তথ্য আৰু আইনী যুক্তি ভুল। শ্ৰী ৰয়ে দাবী কৰিছিল যে আবেদনকাৰীয়ে অনুমোদিত ছুটীৰ সময়সীমা পাৰ কৰিছিল আৰু অনুমোদন অবিহনে নিজৰ কৰ্তব্যৰ পৰা অনুপস্থিত আছিল। শ্ৰী ৰয়ে আৰু যুক্তি দিছিল যে আবেদনকাৰীৰ ভূমিকা আৰু তেওঁ নিযুক্তি দিয়া সংস্থাটো সীমান্ত সুৰক্ষা বাহিনী অত্যন্ত গুৰুত্বপূৰ্ণ আৰু ৰাষ্ট্ৰীয় স্বাৰ্থৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত , ইয়াৰ অৰ্থ হ'ল যে এনে ভূমিকাত অকৰ্তৃত্বশীল অনুপস্থিতি এক গুৰুতৰ বিষয়।

(৭) যদিও আবেদনকাৰীক ২০১৩ চনৰ ২৫ ছেপ্টেম্বৰৰ পৰা ২০১৩ চনৰ ২৪ অক্টোবৰলৈকে আনুষ্ঠানিকভাৱে আৰ্জিত ছুটী প্ৰদান কৰা হৈছিল , তথাপিও ছুটীৰ সময়সীমা শেষ হোৱাৰ পিছত তেওঁ কামলৈ ঘূৰি নাহিল। কেন্দ্ৰীয় চৰকাৰৰ বিদ্বান অধিবক্তাই আঙুলিয়াই দিলে যে , ২০১৮ চনৰ ১৪ জুনত দাখিল কৰা প্ৰত্যুত্তৰ শপতনামাৰ ২ নং অনুচ্ছেদত উল্লেখ কৰা অনুসৰি , আবেদনকাৰীয়ে পঞ্জীয়নভুক্ত ডাকযোগে তেওঁলৈ প্ৰেৰণ কৰা কেইবাখনো চিঠিৰ কোনো উত্তৰ নিদিলে (২০১৩ চনৰ ২৮ অক্টোবৰ, ২০১৩ চনৰ ৮ নৱেম্বৰ আৰু ২০১৩ চনৰ ১৬ নৱেম্বৰত) কৰ্তব্যলৈ ঘূৰি নোযোৱাৰ বিষয়ে। ফলত বি এছ এফ আইনৰ ৬২ নং ধাৰা অনুসৰি আবেদনকাৰীৰ অনুপস্থিতিৰ বিষয়টোৰ তদন্ত কৰা হয়। ২০১৩ চনৰ ২৪ ডিচেম্বৰত আবেদনকাৰীক আটক কৰিবলৈ এপ্ৰেহেন্সন ৰোল (আবেদনকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ প্ৰস্তুত কৰা

চৰকাৰী নথি) জাৰি কৰা হয়। এপ্ৰেহেন্সন ৰোল জাৰি কৰাৰ পিছতো সংশ্লিষ্ট আৰক্ষী কৰ্তৃপক্ষৰ পৰা কোনো সঁহাৰি নাপালে। গতিকে আদালতে নিৰ্ণয় কৰিলে যে আবেদনকাৰীয়ে ছুটীৰ কোনো বৈধ কাৰণ নথকাকৈয়ে ছুটীত ম্যাদ পাৰ হোৱাৰ পিছতো কৰ্তব্যত যোগদান কৰা নাই ।

(৮) সেয়েহে ২০১৪ চনৰ ২৫ জানুৱাৰীত পঞ্জীয়নভুক্ত ডাকযোগে আবেদনকাৰীলৈ ছুটিৰ সময়সীমা উকলি যোৱাৰ পিছতো কৰ্তব্যত উপস্থিত নোহোৱাৰ কাৰণ দেখুৱাবলৈ জাননী প্ৰেৰণ কৰা হয়।এই জাননীত আবেদনকাৰীক তেওঁৰ এই কাৰ্য্যৰ ব্যাখ্যা দিবলৈ নিৰ্দেশ দিয়া হয়। যদিও আবেদনকাৰীয়ে জাননী লাভ কৰিছিল , তথাপিও তেওঁ নিৰ্দেশ অনুসৰি কোনো সঁহাৰি দিয়া নাছিল।

(৯) কেন্দ্ৰীয় চৰকাৰৰ অধিবক্তা শ্ৰী ৰয়ে বুজাই দিলে যে আবেদনকাৰীক আন এটা সুযোগ দিয়াৰ উদ্দেশ্যে ইউনিটৰ এজন প্ৰতিনিধি এ এছ আই (জি ডি) পি বৰাক আবেদনকাৰীৰ ঘৰলৈ পঠিওৱা হৈছিল যাতে তেওঁ পোনপটীয়াকৈ সুধিব পাৰে যে আবেদনকাৰী সংস্থাটোৰ সৈতে কাম কৰি যাবলৈ ইচ্ছুক নে অনিচ্ছুক। প্ৰতিনিধিয়ে যেতিয়া আবেদনকাৰীৰ ওচৰলৈ গৈছিল , তেতিয়া আবেদনকাৰীয়ে তেওঁক জনাইছিল যে তেওঁ নিজৰ কৰ্তব্যলৈ ঘূৰি আহিবলৈ ইচ্ছুক নহয়। আবেদনকাৰীক পুনৰ বিবেচনা কৰিবলৈ পৰ্যাপ্ত সময় দিয়াৰ পিছত ২০১৪ চনৰ ১৮ মাৰ্চত আদেশ জাৰি কৰা হয় , য'ত তেওঁক আনুষ্ঠানিকভাৱে চাকৰিৰ পৰা বৰ্খাস্ত কৰা হয়। এই চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ আদেশো পঞ্জীয়নভুক্ত ডাকযোগে আবেদনকাৰীলৈ প্ৰেৰণ কৰা হৈছিল।

(১০)কেন্দ্ৰীয় চৰকাৰৰ বিদ্বান অধিবক্তাই (চিজিচি) আঙুলিয়াই দিয়ে যে বৰ্তমানৰ লেখ আবেদনখন বহুদিনৰ পিছত বিশেষকৈ ২০১৭ চনত দাখিল কৰা হৈছিল। চিজিচিয়ে

যুক্তি দিছিল যে যিহেতু  অনুশাসন সীমান্ত সুৰক্ষা বাহিনীৰ  দৰে সংস্থাৰ  মূল আধাৰ, গতিকে  এই ক্ষেত্ৰত ইয়াৰ পদ্ধতি আৰু নিয়মক আওকাণ বা সহজভাৱে ল ’ব নোৱাৰি। গতিকে আবেদনকাৰীয়ে কোনো ধৰণৰ সকাহৰ অধিকাৰী নহয়।

(১১) আদালতে দুয়োপক্ষৰ  যুক্তিৰ সযতনে পৰ্যালোচনা আৰু মূল্যায়ন কৰিছে আৰু ইয়াৰ সন্মুখত উপস্থাপন কৰা সকলো প্ৰমাণ আৰু নথি-পত্ৰ ভালদৰে পৰীক্ষা কৰিছে।

(১২) লেখ আবেদনত আবেদনকাৰীয়ে উল্লেখ কৰা তথ্যসমূহ ২০১৮ চনৰ ১4 জুনত প্ৰতিবাদীসকলে (১ আৰু  ২) দাখিল কৰা প্ৰত্যুত্তৰ শপতনামাত স্পষ্টভাৱে খণ্ডন বা অস্বীকাৰ কৰা হৈছে। আবেদনকাৰীয়ে প্ৰত্যুত্তৰ শপতনামাত উল্লেখ কৰা যুক্তিসমূহক সম্বোধন বা প্ৰতিহত কৰিবলৈ কোনো উত্তৰ দাখিল কৰা নাই। আবেদনকাৰীক প্ৰতিনিধিত্ব কৰা অধিবক্তা শ্ৰীমতী দাসে উল্লেখ কৰিছে যে বৰ্তমান আবেদনকাৰী সংযোগত নাই, যাৰ বাবে তেওঁ শপতনামাৰ উত্তৰ দাখিল কৰিব পৰা নাই।

(১৩)  অন্যান্য কাৰক যিয়েই নহওক কিয় , উপস্থাপন কৰা যুক্তি আৰু প্ৰমাণে দেখুৱাইছে যে আবেদনকাৰীয়ে আবেদনখনত নিজৰ কাৰ্য্যৰ কাৰণ হিচাপে কেৱল শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ সমস্যাহে উল্লেখ কৰিছে। মন কৰিবলগীয়া যে আবেদনকাৰীয়ে ২০১4 চনৰ ২৫ জানুৱাৰী তাৰিখৰ কাৰণ দৰ্শাব দিয়া জাননীখনৰ প্ৰতি সঁহাৰি জনোৱা বুলি দাবী কৰিলেও এই সঁহাৰিৰ প্ৰতিলিপি আবেদনখনৰ সৈতে অন্তৰ্ভুক্ত কৰা হোৱা নাছিল  আৰু আবেদনকাৰীয়ে এই কথা ব্যাখ্যা কৰি কয় যে তেওঁ সেইখনৰ  প্ৰতিলিপি  বিচাৰি  নাপালে। ইয়াৰ বিপৰীতে উত্তৰদাতাসকলৰ পৰা পোৱা পাল্টা শপতনামাত কোৱা হৈছে যে আবেদনকাৰীয়ে কেতিয়াও কাৰণ দৰ্শাব দিয়া জাননীখনৰ প্ৰতি সঁহাৰি নিদিলে।  কাৰণ দৰ্শাব দিয়া জাননী আৰু উল্লেখ কৰা পূৰ্বৰ

যোগাযোগসমূহ প্ৰতিবাদকাৰীসকলৰ প্ৰত্যুত্তৰ শপতনামাত অন্তৰ্ভুক্ত কৰা হৈছে আৰু আবেদনকাৰীৰ পৰা কোনো সঁহাৰি পোৱাৰ কোনো প্ৰমাণ পোৱা নাই। উত্তৰদাতাসকলে তৎক্ষণাত নেতিবাচক সিদ্ধান্ত লোৱা নাছিল বৰঞ্চ আবেদনকাৰীৰ ঘৰলৈ প্ৰতিনিধি পঠিয়াইছিল। সেই সময়ত আবেদনকাৰীয়ে ইংগিত দিছিল যে তেওঁ বি এছ এফত সেৱা আগবঢ়াই যাব নিবিচাৰে। প্ৰতিনিধিৰ ভ্ৰমণ আৰু আবেদনকাৰীয়ে সেৱা আগবঢ়াই নিবলৈ অনিচ্ছা সম্পৰ্কে দিয়া বক্তব্যৰ ওপৰত কোনো বিতৰ্ক হোৱা নাই। প্ৰায় ছমাহৰ পিছত ২০১৪ চনৰ ১৮ মাৰ্চত চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ নিৰ্দেশ জাৰি কৰি পঞ্জীয়নভুক্ত ডাকযোগে আবেদনকাৰীলৈ প্ৰেৰণ কৰা হয়। বৰ্তমানৰ আবেদনত চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ নিৰ্দেশৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰা হোৱা নাই। লেখ আবেদনখন চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ তিনি বছৰৰ পাছত , ২০১৭ চনত দাখিল কৰা হৈছিল আৰু ইয়াক দাখিল কৰাত পলম হোৱাৰ কোনো পতিয়ন যোগ্য বা গ্ৰহণযোগ্য কাৰণ উল্লেখ কৰা হোৱা নাই। যদিও আবেদনকাৰীয়ে তেওঁ অসুস্থ বুলি উল্লেখ কৰিছে আৰু কিছুমান নথি-পত্ৰ প্ৰমাণ হিচাপে অন্তৰ্ভুক্ত কৰিছে, আদালতে এই কাৰণসমূহ অপৰ্যাপ্ত বুলি বিবেচনা কৰিছে আৰু বিশ্বাস কৰে যে এইবোৰ হ 'ল আবেদানকাৰীৰ নিজৰ ভুল ঢাকি ৰাখিবলৈ এক প্ৰয়াস।

(১৪) যেতিয়া কোনো আদালতে ভাৰতীয় সংবিধানৰ ২২৬ নং অনুচ্ছেদৰ অধীনত নিজৰ ক্ষমতা ব্যৱহাৰ কৰে, তেতিয়া জড়িত দুয়োটা পক্ষৰ আচৰণ আৰু কাৰ্য্যৰ প্ৰতি লক্ষ্য ৰাখি ন্যায্যভাৱে সিদ্ধান্ত লব লাগে।এই গোচৰৰ নিৰ্দিষ্ট তথ্য আৰু পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আদালতে বিশ্বাস কৰে যে ন্যায়পৰায়ণতাই আবেদনকাৰীৰ দাবী বা স্থিতি সমৰ্থন নকৰে।

(১৫) সেয়েহে এই লেখ আবেদনখন খাৰিজ কৰা হ'ল।

ন্যায়াধীশ

মোকাবিলা সহায়ক

অনুবাদ- শ্ৰী মৃণাল কুমাৰ ভট্টাচাৰ্য্য

জ্যেষ্ঠ অনুবাদক

গৌহাটী উচ্চ ন্যায়ালয়